**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 05-01-2026
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

১। চৰাইদেউ মৈদামক ইউনেস্কʼৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়া স্মাৰক ফলক মুখ্যমন্ত্ৰীৰ উন্মোচন।
২। নাজিৰা আৰু যোৰহাটত আজি মুখ্যমন্ত্ৰীৰ উদ্যমিতা পুজিৰ চেক বিতৰণ।
৩। সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসম ৰাজ্যিক বিজেপিৰ আজি ৰাজ্যজুৰি বুথ বিজয় অভিযান আৰম্ভ। ***আৰু***
৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত পাঞ্জাবৰ বিৰুদ্ধে কেৰালাৰ ৪-০ গলত জয়লাভ।

ooooo

মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাত ইউনেস্কʼই চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়া স্মাৰক ফলক উন্মোচন কৰে। স্মাৰক ফলক উন্মোচন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই স্বীকৃতি সদায়ে অসমৰ ইতিহাসৰ এটা সোণালী মূহুৰ্ত হৈ ৰʼব। বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামৰ এই প্ৰাপ্তি ৰাজ্যখনৰ সমৃদ্ধ সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি বিশ্ব সমাজৰ স্বীকৃতিৰ প্ৰতিফলন বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ গৱেষণা আৰু ৰক্ষণা বেক্ষণৰ জৰিয়তে এই ঐতিহ্য ভৱিষ্যত প্ৰজন্মলৈ সংৰক্ষণ কৰাত সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

বাইট

ডʼ শৰ্মাই আজি চৰাইদেউ মৈদামক্ষেত্ৰত পৰম্পৰাগত টাই আহোম ৰীতি নীতিৰে বানফি পুজাত অংশগ্ৰহণ কৰি ৰাজ্যবাসীৰ মংগল কামনা কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে আজি নাজিৰা বিধান সভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰে। সমষ্টিটোৰ ২৬ হাজাৰ ১৪১ গৰাকী আত্মসহায়ক গোটৰ সদস্যৰ মাজত উদ্যমিতা পুঁজিৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়। ডʼ শৰ্মাই মহিলাসকলক এই ধনৰাশিৰ সদ্ব্যৱহাৰেৰে লাখপতি বাইদেউ হিচাপে নিজকে গঢ়ি তোলাৰ প্ৰয়াস কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ৰাজ্যৰ বিকাশ আৰু সমৃদ্ধিৰ বাবে মহিলাসকলক অগ্ৰাধিকাৰ দি ৰূপায়ন কৰা এই আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ প্ৰায় ৩২ লাখ মহিলা উপকৃত হʼব।

(বাইট)

মুখ্যমন্ত্ৰী শৰ্মাই আজি যোৰহাট জিলাতো আত্মসহায়ক গোটৰ সদস্যসকলৰ মাজত উদ্যমিতা পুজিৰ চেক বিতৰণ কৰে।

ooooo

মেঘালয়ৰ টাছকুৰ ছুটাংগাত আজি এটা কয়লা খনিত হোৱা বিস্ফোৰণত অসমৰ ১০জন শ্ৰমিকে প্ৰাণ হেৰুৱায়। নিহতসকলৰ ভিতৰত কাছাৰৰ পাঁচগৰাকী শ্ৰমিক আছে বুলি জানিব পৰা গৈছে। বিস্ফোৰণৰ ফলত পাহাৰৰ এটা অংশ খহি পৰাৰ ফলতেই এই ঘটনাটো ঘটে। কয়লা খনিটোত এতিয়াও ভালেকেইজন শ্ৰমিক আবদ্ধ হৈ থকা বুলি আশংকা কৰা হৈছে। উদ্ধাৰকাৰী দল ইতিমধ্যে ঘটনাস্থলীলৈ ৰাওনা হৈছে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসম ৰাজ্যিক বিজেপিয়ে আজি ৰাজ্যজুৰি বুথ বিজয় অভিযান আৰম্ভ কৰিছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই মঙলদৈ বিধানসভা সমষ্টিৰ ১৫১ আৰু ১৫২ নম্বৰ বুথৰ পৰা আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভ কৰে। অহা ১১ ফেব্ৰুৱাৰীলৈকে চলিবলগীয়া এই অভিযানত ২৬ হাজাৰৰো অধিক বুথ সামৰি লোৱা হ'ব। এই অভিযানৰ অধীনত বুথ কৰ্মীসকলক সাংগঠনিক কাম-কাজসমূহ শক্তিশালী কৰি তুলিবলৈ শ্ৰীশইকীয়াই আহ্বান জনায়।

00000

কামৰূপ জিলাত আজি সমাগত বিধান সভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ই ভি এমৰ প্ৰদৰ্শনী আৰু সজাগতা অভিযান আৰম্ভ কৰা হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সংহত জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত এই ই ভি এম প্ৰদৰ্শনী কেন্দ্ৰ মুকলি কৰে। এই অভিযানৰ জৰিয়তে জিলাখনৰ প্ৰতিটো অঞ্চলত ভ্ৰাম্যমান ই ভি এম প্ৰদৰ্শন ভেনৰ জৰিয়তে ভোট দাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হ'ব। বৰপেটা নিৰ্বাচনী জিলাতো আজি ই ভি এম প্ৰদৰ্শন তথা সজাগতা অভিযান আৰম্ভ হৈছে। জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত বিশেষ বাহনৰ জৰিয়তে বজাৰ, বাছআস্থান আদি ৰাজহুৱা স্থানত ই ভি এমৰ সঠিক ব্যৱহাৰ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা হৈছে। তদুপৰি বৰপেটা নিৰ্বাচন বিষয়াৰ কাৰ্যালয় আৰু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত ই ভি এমৰ ব্যৱহাৰ সম্পৰ্কীয় সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাজনৈতিক দলসমূহকো ই ভি এমৰ সুৰক্ষাৰ দিশবোৰ অৱগত কৰি ইয়াৰ ব্যৱহাৰিকভাৱে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। পশ্চিম কাৰ্বি আংলং জিলাত অহা ৭ ফেব্ৰুৱাৰীত ই ভি এম প্ৰদৰ্শন তথা সজাগতা অভিযান আৰম্ভ হ'ব। জিলাখনৰ ৰংখাং সমষ্টিৰ বাবে ডংকামোকাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদ আৰু আমৰি সমষ্টিৰ বাবে হামৰেণৰ জিলা আয়ুক্ত কাৰ্যালয় চৌহদত ই ভি এম প্ৰদৰ্শন কৰা হ'ব।

00000

কেন্দ্ৰীয় শুল্ক বিভাগে ছিপাঝাৰৰ হাজৰিকাপাৰাত অভিযান চলাই হাতীৰ দাঁতসহ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। শুল্ক বিভাগে গোপন সূত্ৰৰ পম খেদি চলোৱা এই অভিযানত লোকজনৰ ঘৰৰ পৰা চাৰি টুকুৰা হাতীৰ দাঁত জব্দ কৰিছে। গুৱাহাটী আজি শুল্ক বিভাগৰ কাৰ্যালয়ত বিভাগটোৰ শীৰ্ষ বিষয়াই এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে ৯ দশমিক ৬০ কিলোগ্ৰাম ওজনৰ এই হাতীৰ দাঁতকেইটা বিক্ৰীৰ বাবে যোজা চলোৱাৰ সময়তে লোকজনক গ্ৰেপ্তাৰ কৰা হয়। অৱশ্যে শুল্ক বিভাগে তদন্তৰ খাতিৰত ধৃত লোকজনৰ নাম সদৰি কৰা নাই।

00000

দক্ষিণ শালমাৰা-মানকাচৰৰ হাটশিঙিমাৰী-মানকাচৰ সংযোগী পথচোৱা নতুনকৈ নিৰ্মাণৰ বাবে জিলা প্ৰশাসনে আজি এই পথচোৱাৰ দুয়োকাষে অবৈধভাৱে নিৰ্মাণ কৰা বাসগৃহ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ উচ্ছেদ অভিযান আৰম্ভ কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে জিলা প্ৰশাসনৰ নিৰ্দেশনাৰ পাছতেই ইতিমধ্যে প্ৰায় ৭০ শতাংশ লোকে চৰকাৰী ভূমি এৰি আঁতৰি যায়। বাকী থকা লোকসকলক উচ্ছেদ কৰাৰ বাবে মানকাচৰৰ ৰাজহ চক্ৰ বিষয়াৰ নেতৃত্বত আজি পুৱা ১১ বজাৰ পৰা অভিযান চলোৱা হয়। উল্লেখযোগ্য যে এই পথচোৱা নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে অসম মালা আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত ৯২ কোটি টকা আবণ্টন দিছে। পথৰ দুয়োকাষৰ চৰকাৰী ভূমি দখলমুক্ত কৰাৰ লগে লগে পথ নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে প্ৰকাশ কৰিছে।

00000

উত্তৰ পূৰ্বাঞ্চলৰ ব্যৱসায়ী, হস্তশিল্পী আৰু মহিলা উদ্যোগীসকলক **এমাজন কাৰিগৰ** কাৰ্যসূচীৰ জৰিয়তে Amazon.in ত হস্তনিৰ্মিত সামগ্ৰীক সুবিধা দিবলৈ উত্তৰ-পূব বাঁহ-বেত উন্নয়নৰ পৰিষদৰ সৈতে অনলাইন গোটটোৱে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়। এই চুক্তিৰ অংশ হিচাপে এমাজনে বাঁহ-বেত উন্নয়ন পৰিষদৰ সৈতে সহযোগিতা কৰি

অঞ্চলটোৰ হস্তশিল্পী আৰু মহিলা নেতৃত্বাধীন উদ্যোগসমূহ চিনাক্ত কৰি অনলাইন বজাৰলৈ লৈ যোৱাত সহায় কৰিব। উল্লেখযোগ্য যে সম্প্ৰতি অনলাইন গোটটোত ২ লাখতকৈও অধিক হস্তনিৰ্মিত সামগ্ৰী উপলভ্য হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ ৫ হাজাৰৰো অধিক হস্তশিল্পীয়ে গৃহসজ্জাৰ উপযোগী সামগ্ৰী, জীৱন শৈলী আৰু ব্যক্তিগত আনুসঙ্গিক সামগ্ৰী, উপহাৰৰ সামগ্ৰীৰ উপৰি বাঁহৰ পৰা উৎপাদিত ভালেমান সামগ্ৰী এই ব্যৱস্থাৰে অনলাইনত বিক্ৰী কৰিবলৈ সমৰ্থ হ'ব।

০০০০০

নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক বাৰ্ষিক প্ৰতিনিধি সভা আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ওদালগুৰি জিলাৰ টংলাৰ চলোংথাই ফৌথাৰত অনুষ্ঠিত হৈছে। বি টি আৰত বসবাস কৰা লোকসকলৰ মাজত স্থায়ী শান্তি আৰু সম্প্ৰীতিৰ পৰিবেশ গঢ়ি তোলাৰ লক্ষ্যৰে তথা বড়ো জনগোষ্ঠীৰ লোকসকলৰ সৰ্বাঙ্গীন বিকাশৰ সৈতে জড়িত বিষয়সমূহ আলোচনাৰ বাবে এই সভা অনুষ্ঠিত হৈছে। এই প্ৰতিনিধি সভাত কমেও ১০ হাজাৰ দৰ্শক প্ৰতিনিধি আৰু ৩ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব বুলি নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বিপেন বড়োৱে প্ৰকাশ কৰিছে।

০০০০০

কাৰ্বি আংলং জিলাৰ ডকমকাত ২০১৮ চনত সংঘটিত অভি-নীল হত্যাকাণ্ডৰ গোচৰৰ অন্তিম শুনানি আজিৰে পৰা নগাঁৱৰ চেচন আদালতত অনুষ্ঠিত হৈছে। অহা ৭ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া এই শুনানিৰ অন্তত আদালতে চূড়ান্ত ৰায় প্ৰদান কৰিব। ৭ বছৰৰ পাছত এই গোচৰৰ অন্তিম শুনানি প্ৰক্ৰিয়া অনুষ্ঠিত হোৱাক লৈ অভিজিত আৰু নীলোৎপল নামৰ ভুক্তভোগী যুৱক দুজনৰ পৰিয়াল আশাবাদী বুলি প্ৰকাশ কৰিছে।

০০০০০

ধেমাজি জিলাৰ ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি কেৰালাই পাঞ্জাৱৰ বিৰুদ্ধে ৪-০ গ'লত জয়লাভ কৰে। প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ছাৰ্ভিচেছে আজি ৰে'লৱেক ২-০ গ'লত পৰাস্ত কৰে। খেলখনত ছাৰ্ভিচেছৰ হৈ অভিষেক পাৱাৰে দুয়োটা গ'ল কৰে।

উল্লেখযোগ্য যে সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত পাঞ্জাৱ দলটো ৮ বাৰকৈ চূড়ান্ত বিজয়ী আৰু বিজিত দল হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে কেৰালা দলে ৭ বাৰ বিজয়ী আৰু ৯ বাৰ বিজিতৰ সন্মান লাভ কৰিছে। একেদৰে ছাৰ্ভিচেছ দলটো ৭ বাৰ বিজয়ী, ৫ বাৰ বিজিত আৰু ৰে'লৱে দলে ৩ বাৰ বিজয়ী আৰু ৬ বাৰ বিজিত হোৱাৰ সন্মান অৰ্জন কৰিছে।

০০০০০

সমাপ্ত